# 2018

## PHILOSOPHY

( Major )

Paper : 5.1

**( Greek Philosophy )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following questions : 1×7=7

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) What is the principle of all things according to Thales of Ionia?

আয়েনিয়াৰ থেলচৰ মতে সকলো বস্তুৰ মূল সত্তা কি ?

(b) Does the Pythagorean society primarily a school of philosophy?

পাইথাগোৰাণ সমাজ প্ৰাথমিকভাৱে এটা দাৰ্শনিক সম্প্ৰদায় হয়নে ?

(c) What is Parmenides' idea of change?

পৰিৱৰ্তন সম্পৰ্কে পাৰমেনাইদচৰ ধাৰণা কি ?

(d) "Being cannot arise from not-being and that being neither arises nor passes away." Who made this statement?

"Being cannot arise from not-being and that being neither arises nor passes away." এই উক্তিটো কাৰ ?

(e) Why was Heraclitus known as the 'Dark' or the 'Obscure' philosopher?

হেৰাক্লিটাচক কিয় 'Dark' বা 'Obscure' দাৰ্শনিক বোলা হয় ?

(f) "The Earth is like a disc." Who said this?

"পৃথিৱীখন এখন থালৰ দৰে।" কোনে কৈছিল ?

(g) To which school the Greek philosopher Zeno was associated?

গ্ৰীক দাৰ্শনিক জেনো কোন সম্প্ৰদায়ৰ সৈতে জড়িত ?

**2.** Answer the following questions : 2×4=8

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Write two propositions as found popularly in Thales' philosophy.

থেলচৰ দৰ্শনত জনপ্ৰিয়ভাৱে উল্লেখিত দুটা বচনৰ নাম লিখা।

(b) What are the two fundamental paradoxes of Zeno?

জেনোৰ মূল বিৰোধাভাষ দুটা কি কি ?

(c) What is the essence of the first principle of things in Pythagoras' philosophy?

পাইথাগোৰাচৰ দৰ্শনত আদি দ্ৰব্যৰ প্ৰকৃতি কি ?





(d) Give two descriptions regarding the character of 'Being' as cited in Parmenides' philosophy.

পাৰমেনাইদচৰ দৰ্শনত সত্তাৰ দুটা বৈশিষ্ট্য লিখা।

**3.** Write briefly on any *three* of the following questions : 5×3=15

তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা :

(a) Explain Pythagoras' ten pairs of contradiction of which the universe is composed.

পাইথাগোৰাচৰ দহটা পৰস্পৰবিৰোধী যোৰৰ তালিকা লিখা যাৰ দ্বাৰা জগতখন গঠিত হৈছে।

(b) "All is flux." Explain in reference to Heraclitus' meaning of Becoming.

"সকলোবোৰেই পৰিৱৰ্তনশীল।" হেৰাক্লিটাচৰ পৰিৱৰ্তনৰ অৰ্থৰ সহায়ত ব্যাখ্যা কৰা।

(c) How does Parmenides' interpret that empty space is non-existent?

পাৰমেনাইদচে কেনেদৰে শূন্য দেশ অস্তিত্ববিহীন বুলি বুজাইছে ?

(d) Explain Zeno's arguments against multiplicity.

জেনোৰ বহুত্বৰ বিৰোধাভাষৰ বিষয়ে লিখা।

(e) Explain Democritus' contribution in reference to the doctrine of 'indestructibility of matter'.

'দ্ৰব্যৰ অবিনশ্বৰতাবাদ' সম্পৰ্কে ডেমোক্ৰিটাছৰ অৱদান লিখা।

**4.** Answer any *three* of the following questions : 10×3=30

তলৰ প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) Explain the philosophical contribution of Thales as the father of Philosophy.

দৰ্শনৰ পিতৃ হিচাপে থেলচৰ দাৰ্শনিক অৱদান বৰ্ণনা কৰা।

(b) Why is Thales considered more as a philosopher than a scientist? Discuss.

থেলচক কিয় বৈজ্ঞানিকতকৈ দাৰ্শনিক হিচাপেহে গণ্য কৰা হয়? আলোচনা কৰা।

(c) Explain Pythagoras' philosophical contribution to the view that "Number is the world-ground out of which the universe is made".

"সংখ্যাতত্ত্বই ৰিশ্বজগতৰ মূল।" এই সম্পৰ্কে পাইথাগোৰাচৰ দাৰ্শনিক অৱদান বৰ্ণনা কৰা।

(d) Explain and examine Parmenides' view that the "ultimate reality is material and globe-shaped".

পাৰমেনাইদচৰ মতবাদ "পৰমসত্তা জড় আৰু গোলাকাৰ আকৃতিৰ" ব্যাখ্যা আৰু পৰীক্ষা কৰা।

(e) Explain critically Zeno's philosophical interpretation that "motion is impossible".

"Motion is impossible"—জেনোৰ এই দাৰ্শনিক মতটো সমালোচনা সহকাৰে ব্যাখ্যা কৰা।

★★★

# 2018

## PHILOSOPHY

( Major )

Paper : 5.2

**( Contemporary Indian Philosophy )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

নির্দেশ অনুসৰি তলত দিয়াসমূহৰ উত্তৰ দিয়া :

(*a*) "Swami Vivekananda gives emphasis on the path of action." Is it true?

"স্বামী বিবেকানন্দই কৰ্মমাৰ্গৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।" সচানে ?

(b) Vivekananda is influenced by one non-Vedic school of Indian Philosophy. What is that?

বিবেকানন্দ ভাৰতীয় দৰ্শনৰ এক অবৈদিক সম্প্ৰদায়ৰ দ্বাৰা প্ৰভাৱিত হৈছিলে। সেই সম্প্ৰদায়ৰ নামটো কি?

(c) In which book, Sri Aurobindo discussed the 'Theory of Evolution'?

শ্ৰী অৰবিন্দই তেওঁৰ কোনখন গ্ৰন্থত 'বিৱৰ্তনবাদ তত্ত্ব'ৰ বিষয়ে আলোচনা কৰিছিল?

(d) Sri Aurobindo's Philosophy is popularly known as _____ Yoga.

( Fill in the blank )

শ্ৰী অৰবিন্দৰ দৰ্শনক _____ যোগ নামেৰেও জনা যায়।

( খালী ঠাই পূৰণ কৰা )

(e) Which philosopher stated that "My religion is essentially a poet's religion"?

"My religion is essentially a poet's religion." কোনজন দাৰ্শনিক কৈছিল?





(f) What is the significance of the day 15th August, 1872?

১৮৭২ চনৰ ১৫ আগষ্ট দিনটোৰ তাৎপৰ্য কি?

(g) Name the author of the book, *The Life Divine*.

*The Life Divine* নামৰ কিতাপখনৰ লেখকৰ নাম লিখা।

**2.** Answer the following in brief : 2×4=8

তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

(a) Which philosopher considered 'Absolute' as 'Satchidananda'? What is meant by Satchidananda?

কোনজন দাৰ্শনিকে 'পৰমসত্তা'ক 'সচ্চিদানন্দ' বুলি কৈছে? সচ্চিদানন্দ বুলিলে কি বুজা?

(b) What do you mean by the concept of Real and Apparent nature of man?

মানুহৰ 'প্ৰকৃত স্বৰূপ' আৰু 'অৱভাসিক স্বৰূপ'ৰ ধাৰণা বুলিলে কি বুজা?

(c) Name two Western theories of evolution.

বিৱৰ্তনবাদৰ দুটা পাশ্চাত্য মতবাদৰ নাম লিখা।

(d) Match the following :

তলত দিয়াবোৰৰ শুদ্ধকৈ সজোৱা :

| | |
|---|---|
| (i) Vivekananda | (1) *Recovery of Faith* |
| (ii) Aurobindo | (2) *Sadhana* |
| (iii) Rabindranath Tagore | (3) *Foundations of Indian Culture* |
| (iv) Radhakrishnan | (4) *Living at the Source* |

**3.** Answer/Write short notes on any *three* of the following : 5×3=15

তলত দিয়াবোৰৰ যি কোনো **তিনিটাৰ** বিষয়ে চমুকৈ লিখা/উত্তৰ দিয়া :

(a) Concept of freedom according to Swami Vivekananda

স্বামী বিবেকানন্দৰ স্বাধীনতাৰ ধাৰণা





(b) Humanism

মানৱতাবাদ

(c) 'The evolutionary growth is a triple process' according to Sri Aurobindo. What is the triple process?

শ্ৰী অৰবিন্দৰ মতে 'বিৱৰ্তনৰ তিনিটা স্তৰ আছে'। এই তিনিটা স্তৰ বুলিলে কি বুজা ?

(d) Aurobindo's concept of Supermind

অৰবিন্দৰ দৰ্শনৰ Supermindৰ ধাৰণা

(e) Concept of universal religion

সাৰ্বজনীন বা বিশ্বজনীন ধৰ্ম্মৰ ধাৰণা

**4.** Answer any *three* of the following : 10×3=30

তলত দিয়াবোৰৰ যি কোনো **তিনিটাৰ** উত্তৰ দিয়া :

(a) Discuss after Radhakrishnan, the relation between intellect and intuition. Is intuition anti-intellectual?

ৰাধাকৃষ্ণনৰ মতে বুদ্ধি আৰু অন্তৰপ্ৰজ্ঞাৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা। অন্তৰপ্ৰজ্ঞাই বুদ্ধিৰ বিৰোধিতা কৰেনে ?

(b) Vivekananda's main contribution lies in his attempt to present Advaita Vedanta in its practical form. Do you agree with this view? Give your own opinion.

অদ্বৈত বেদান্তক বিবেকানন্দই ব্যৱহাৰিক দিশত প্রয়োগ কৰাটো তেওঁৰ এক উল্লেখযোগ্য অৱদান বুলি তুমি ভাবানে? তোমাৰ নিজৰ মতামত আগবঢ়োৱা।

(c) Rabindranath Tagore's humanism is coloured by his 'aesthetic' and 'mystical' experience. Give your own view.

ৰবীন্দ্ৰনাথ ঠাকুৰৰ মানৱতাবাদী দৰ্শনত 'aesthetic' আৰু 'mystical' অভিজ্ঞতাৰ আভাস পোৱা যায়। তোমাৰ নিজৰ মতামত আগবঢ়োৱা।

(d) Explain and examine Aurobindo's theory of evolution.

শ্ৰী অৰবিন্দৰ বিৱৰ্তনবাদ তত্ত্ব আলোচনা আৰু পৰীক্ষা কৰা।





(e) Do you think that contemporary Indian Philosophy is the synthesis of the ancient Indian values and modern Western thought? Explain.

সমসাময়িক ভাৰতীয় দৰ্শন প্ৰাচীন ভাৰতীয় মূল্যবোধ আৰু আধুনিক পাশ্চাত্য ধাৰণাৰ সংমিশ্ৰণ বুলি ভাবানে? ব্যাখ্যা কৰা।

★★★

# 2018

## PHILOSOPHY

( Major )

Paper : 5.3

**( Contemporary Western Philosophy )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following as directed : 1×7=7

নির্দেশানুসৰি তলত দিয়াবোৰৰ উত্তৰ লিখা :

(a) What is the fundamental question of Russell's logical atomism?

বাছেলৰ তৰ্কীয় পৰমাণুবাদৰ মৌলিক প্ৰশ্নটো কি?

(b) Write the name of the book representing Wittgenstein's later philosophy.

ৱিটগেইনষ্টাইনৰ পৰৱৰ্তী দৰ্শনক প্ৰতিনিধিত্ব কৰা গ্ৰন্থখনৰ নাম লিখা।

(c) The idealism of Berkeley is known as phenomenolistic idealism / objective idealism / subjective idealism.

( Choose the correct alternative )

বাৰ্কলিৰ ভাৱবাদক অৱভাসিক ভাৱবাদ / বস্তুনিষ্ঠ ভাৱবাদ / আত্মনিষ্ঠ ভাৱবাদ নামেৰে জনা যায়।

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

(d) The simple facts are called by Russell ____ fact. ( Fill in the blank )

ৰাছেলে সৰল তথ্যসমূহক _____ তথ্য বুলি কৈছিল।

( খালী ঠাই পূৰণ কৰা )

(e) Among the following philosophers, who is the author of the book, *The Concept of Mind* ?

নিম্নোক্ত দাৰ্শনিকসকলৰ ভিতৰত *The Concept of Mind* নামৰ গ্ৰন্থখনৰ লিখক কোন ?

(i) Ayer

আয়াৰ

(ii) G. E. Moore

জি. ই. মূৰ



( Continued )



(iii) Gilbert Ryle

গিলবাৰ্ট ৰাইল

(iv) Russell

ৰাছেল

( Choose the correct alternative )

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

(f) The analytic philosophy is emphasised on conceptual analysis/linguistic analysis/ critical analysis.

( Choose the correct alternative )

বিশ্লেষণাত্মক দৰ্শনে ধাৰণাগত বিশ্লেষণ/ভাষিক বিশ্লেষণ/বিচাৰমূলক বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

(g) What is the main statement of Berkeley's idealism?

বাৰ্কলিৰ ভাৱবাদৰ মূল উক্তিটো কি ?

**2.** Answer briefly the following questions : 2×4=8

তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা :

(a) What is Descartes Myth?

ডেকাৰ্টৰ মিথ বা ৰূপকথা কি ?



( Turn Over )

*(b)* Write the name of two Oxford philosophers.

অক্সফোৰ্ড দাৰ্শনিক দুজনৰ নাম লিখা।

*(c)* What is fact according to Wittgenstein?

ৱিটগেইনষ্টাইনৰ মতে তথ্য বা ঘটনা কি?

*(d)* Name any two books of G. E. Moore.

জি. ই. মূৰৰ যি কোনো দুখন গ্ৰন্থৰ নাম লিখা।

**3.** Answer any *three* of the following questions : 5×3=15

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখা :

*(a)* Why is Russell's atomism called logical atomism?

ৰাছেলৰ পৰমাণুবাদক কিয় তৰ্কীয় পৰমাণুবাদ বোলা হয়?

*(b)* Write a note on sense data.

Sense data সম্পৰ্কে এটি টোকা লিখা।

*(c)* "All philosophy is a critique of language." Explain.

"দৰ্শন হৈছে ভাষাৰ সমালোচনা।" ব্যাখ্যা কৰা।





*(d)* What is 'category mistake' according to Ryle?

ৰাইলৰ মতে 'শ্ৰেণীগত বিভ্ৰান্তি' কি?

*(e)* How did Russell distinguish between atomic fact and molecular fact?

পাৰমাণৱিক তথ্য আৰু আণৱিক তথ্যৰ মাজত ৰাছেলে কিদৰে পাৰ্থক্য নিৰূপণ কৰিছিল?

*(f)* Explain briefly 'logical positivism' as a trend of analytic philosophy.

বিশ্লেষণাত্মক দৰ্শনৰ এটা ধাৰা হিচাপে 'তৰ্কীয় প্ৰত্যক্ষবাদ' মতবাদটো চমুকৈ ব্যাখ্যা কৰা।

**4.** Answer any *three* of the following questions : 10×3=30

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখা :

*(a)* Discuss logical atomism of Russell. Do you consider it to be a sound philosophical theory? 8+2=10

ৰাছেলৰ তৰ্কীয় পৰমাণুবাদৰ ওপৰত আলোচনা আগবঢ়োৱা। ইয়াক সন্তোষজনক দাৰ্শনিক মতবাদ বুলি তুমি ভাবানে?

(b) Discuss briefly the basic features of 'analytical movement of philosophy'.

'বিশ্লেষণবাদী দৰ্শন আন্দোলন'ৰ মূল বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা।

(c) How do we play games with language? Examine Wittgenstein's view.

ভাষাৰ জৰিয়তে আমি কিদৰে খেল খেলো? এই সন্দৰ্ভত ৱিটগেইনষ্টাইনৰ মত পৰীক্ষা কৰা।

(d) Explain Ryle's criticism of Cartesianism.

ৰাইলে কাৰ্টেছিয়ান মতবাদটো কেনেকৈ সমালোচনা কৰিছিল, ব্যাখ্যা কৰা।

(e) What is idealism? What are the objections raised by Moore against Berkeley's idealism? 2+8=10

ভাৱবাদ কাক বোলে? বাৰ্কলিৰ ভাৱবাদৰ বিৰুদ্ধে মূৰৰ অভিযোগবোৰ কি কি আছিল?





(f) Explain and examine Wittgenstein's picture theory.

ৱিটগেইনষ্টাইনৰ প্ৰতিবিম্ববাদ তত্ত্বটো ব্যাখ্যা আৰু পৰীক্ষা কৰা।

★★★

**2 0 1 8**

# PHILOSOPHY

( Major )

Paper : 5.4

**( Ethics–I )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

নিৰ্দেশানুসৰি তলত দিয়াবোৰৰ উত্তৰ লিখা :

(a) "Virtue is knowledge and knowledge is virtue." Who among the following philosophers is directly associated with the statement?

"সদ্‌গুণেই জ্ঞান আৰু জ্ঞানেই সদ্‌গুণ।" এই উক্তিটোৰ লগত নিম্নলিখিত কোনগৰাকী দাৰ্শনিক প্ৰত্যক্ষভাৱে জড়িত?

(i) Mill

মিল

(ii) Bentham

বেন্থাম

*(iii)* Socrates

ছক্রেটিছ

*(iv)* Moore

মূৰ

*(b)* Mention any one postulate of moral judgement.

নৈতিক বিচাৰৰ যি কোনো এটা স্বীকাৰ্য সত্য উল্লেখ কৰা।

*(c)* Give an example of intrinsic values.

আন্তঃ মূল্যৰ এটা উদাহৰণ দিয়া।

*(d)* Who among the following is the author of the book, *Principia Ethica*?

তলত উল্লেখ কৰাসকলৰ ভিতৰত কোনগৰাকী *Principia Ethica* গ্ৰন্থখনৰ ৰচক?

*(i)* Moritz Schlick

মৰিজ শ্লিক

*(ii)* G. E. Moore

জি. ই. মূৰ

*(iii)* A. J. Ayer

এ. জে. আয়াৰ

*(iv)* J. S. Mill

জে. এচ. মিল





*(e)* Who among the following is a psychological hedonist?

তলত উল্লেখ কৰাসকলৰ ভিতৰত কোনগৰাকী এক মনস্তাত্ত্বিক সুখবাদী?

*(i)* Aristotle

এৰিষ্ট'টল

*(ii)* Hobbes

হ'বচ

*(iii)* Ross

ৰছ্

*(iv)* Sidgwick

ছিজউইক

*(f)* "Each person's happiness is good to that person, and the general happiness, therefore, is a good to the aggregate of all persons." This argument of Mill is known as logical argument/psychological argument/argument from internal sanction.

( Choose the correct option )

"প্ৰত্যেক ব্যক্তিৰ নিজৰ সুখ তেওঁৰ বাবে ভাল, গতিকে সৰ্বসাধাৰণৰ সুখ সৰ্বসাধাৰণৰ বাবে ভাল।" মিল প্ৰদত্ত এই যুক্তিটোক ন্যায়িক যুক্তি/মনস্তাত্ত্বিক যুক্তি/আন্তৰ নিয়ন্ত্ৰণৰ যুক্তি বুলি জনা যায়।

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

(g) "Mill accepts only the quantitative difference of pleasure." Is it correct?

"মিলে সুখৰ কেৱল পৰিমাণগত প্ৰভেদহে স্বীকাৰ কৰে।" এইটো শুদ্ধনে?

**2.** Answer the following questions as directed : 2×4=8

নিৰ্দেশানুসৰি তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) State in brief any two utilities of the study of ethics. 1×2=2

নীতিবিজ্ঞান অধ্যয়নৰ যি কোনো দুটা উপযোগিতা চমুকৈ উল্লেখ কৰা।

(b) What is non-cognitivist or non-descriptivist meta-ethical theory? 2

অ-জ্ঞানবাদী বা অ-বৰ্ণনামূলক অধিনৈতিক মতবাদ মানে কি?

(c) Match the following four pairs correctly : ½×4=2

তলত দিয়া যোৰ চাৰিটা শুদ্ধকৈ মিলোৱা :

| | |
|---|---|
| (i) Epicurus এপিকিউৰাছ | (a) Refined altruistic hedonism মাৰ্জিত পৰসুখবাদ |
| (ii) J. S. Mill জে. এচ. মিল | (b) Gross egoistic hedonism অমাৰ্জিত আত্মসুখবাদ |
| (iii) Aristipus এৰিষ্টিপাছ | (c) Gross altruistic hedonism অমাৰ্জিত পৰসুখবাদ |
| (iv) Bentham বেন্থাম | (d) Refined egoistic hedonism মাৰ্জিত আত্মসুখবাদ |





(d) Distinguish between intrinsic and extrinsic value. 2

আন্তঃ মূল্য আৰু বাহ্যিক মূল্যৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

**3.** Answer any *three* of the following : 5×3=15

তলৰ দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) Whether ethics is a normative science or positive science? Briefly discuss.

নীতিবিজ্ঞান এক আদৰ্শনিষ্ঠ বিজ্ঞান নে বস্তুনিষ্ঠ বিজ্ঞান? চমুকৈ আলোচনা কৰা।

(b) Distinguish between factual judgement and evaluative judgement.

তথ্যমূলক অৱধাৰণ আৰু মূল্যাত্মক অৱধাৰণৰ মাজত পাৰ্থক্য বিচাৰ কৰা।

(c) Write a short note on the origin and development of meta-ethics.

অধিনীতিশাস্ত্ৰৰ উদ্ভৱ আৰু বিকাশ বিষয়ক এটা চমু টোকা লিখা।

(d) Do you think that psychological hedonism is the basis of ethical hedonism? Justify your answer.

মনোবৈজ্ঞানিক সুখবাদ নৈতিক সুখবাদৰ ভিত্তি বুলি ভাবানে? যুক্তিসন্মত উত্তৰ দিয়া।

**4.** Answer any *three* of the following : 10×3=30

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) Explain virtue ethics as a normative ethical theory. 10

আদৰ্শনিষ্ঠ নৈতিক মতবাদ হিচাপে সদ্‌গুণৰ নৈতিক মতবাদ ব্যাখ্যা কৰা।

(b) Explain the scope or subject-matter of practical ethics. 10

ব্যৱহাৰিক নীতিবিজ্ঞানৰ পৰিসৰ বা আলোচ্য বিষয়বস্তুৰ বিষয়ে ব্যাখ্যা কৰা।

(c) Explain the dichotomy between fact and value. 10

তথ্য আৰু মূল্যৰ মাজত থকা বিৰোধ ব্যাখ্যা কৰা।

(d) Explain the relation between normative ethics and practical ethics. 10

আদৰ্শনিষ্ঠ নীতিবিজ্ঞান আৰু ব্যৱহাৰিক নীতিবিজ্ঞানৰ সম্বন্ধৰ বিষয়ে ব্যাখ্যা কৰা।



( Continued )



(e) What is rule utilitarianism? Critically discuss rule utilitarianism. 2+8=10

নিয়ম-উপযোগিতাবাদ কি? নিয়ম-উপযোগিতাবাদৰ বিষয়ে এক বিচাৰমূলক আলোচনা আগবঢ়োৱা।

★★★

**2 0 1 8**

# PHILOSOPHY

( Major )

Paper : 5.5

**( Philosophy of Religion )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

তলত দিয়াসমূহৰ নিৰ্দেশানুসৰি উত্তৰ দিয়া :

*(a)* Reason has no place in religion.

( Write True or False )

ধৰ্মত যুক্তিৰ কোনো স্থান নাই।

( শুদ্ধ নে অশুদ্ধ লিখা )

*(b)* Who was the main advocate of the 'Ghost Worship Theory'?

'প্ৰেত পূজাবাদ'ৰ মূল প্ৰবক্তা কোন ?

(c) Who was the author of the book, *Totem and Taboo*?

*Totem and Taboo* গ্ৰন্থখন কোনে লিখিছিল ?

(d) Name the logical fallacy related to the theory of Fetishism.

ফেটিছবাদ বা জড় পূজাবাদৰ লগত জড়িত তৰ্কীয় দোষটোৰ নাম লিখা ।

(e) Who was the author of the book, *Primitive Culture*?

*Primitive Culture* গ্ৰন্থখন কোনে লিখিছিল ?

(f) What is the Indian synonym of religion?

Religion শব্দৰ ভাৰতীয় সমাৰ্থক প্ৰতিশব্দ কি ?

(g) Name one mystic philosopher.

এগৰাকী ৰহস্যবাদী দাৰ্শনিকৰ নাম লিখা ।

2. Give brief answers of the following questions : 2×4=8

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) What is the etymological meaning of religion?

Religion শব্দৰ ব্যুৎপত্তিগত অৰ্থ কি ?

(b) What is taboo?

টেবু মানে কি ?





(c) Who wrote the book, *The Melanesians*? Name the theory of the origin of religion associated with this book.

*The Melanesians* গ্ৰন্থখন কোনে লিখিছিল ? ইয়াৰ লগত জড়িত ধৰ্মৰ উৎপত্তি তত্ত্বটোৰ নাম লিখা ।

(d) Write two basic differences between magic and religion.

মেজিক আৰু ধৰ্মৰ মাজত থকা দুটা মুখ্য পাৰ্থক্য লিখা ।

3. Answer any *three* of the following questions : 5×3=15

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখা :

(a) "Philosophy of religion is not a part of religion." Explain.

"ধৰ্মদৰ্শন ধৰ্মৰ অন্তৰ্গত বিষয় নহয় ।" ব্যাখ্যা কৰা ।

(b) Write a brief note on Fetishism.

ফেটিছবাদৰ ওপৰত এটা চমু টোকা লিখা ।

(c) Give a brief account on 'Dharma'.

'ধৰ্ম'ৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা ।

(d) Write a brief note on revelation.

দৈৱ অভিব্যক্তিৰ ওপৰত এটা চমু টোকা লিখা ।

(e) Write a short note on mysticism.

ৰহস্যবাদৰ ওপৰত এটা চমু টোকা লিখা ।

4. Answer any *three* of the following questions : 10×3=30

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) Explain the nature and scope of religion.

ধৰ্মৰ স্বৰূপ আৰু পৰিসৰ ব্যাখ্যা কৰা ।

(b) "Animism is the earliest form of religion." Explain critically.

"Animism বা সৰ্বপ্ৰাণবাদ হ'ল ধৰ্মৰ প্ৰাথমিক আদি ৰূপ ।" এই মতক সমালোচনাৰে সৈতে ব্যাখ্যা কৰা ।

(c) Explain critically Freud's theory of the origin of religion.

ধৰ্মৰ উৎপত্তিক কেন্দ্ৰ কৰি আগবঢ়োৱা ফ্ৰয়ডৰ মতবাদক সমালোচনাৰে সৈতে ব্যাখ্যা কৰা ।

(d) What are the foundations of religious beliefs? Describe faith as a foundation of religious beliefs.

ধৰ্মীয় বিশ্বাসৰ আধাৰসমূহ কি কি? ধৰ্মীয় বিশ্বাসৰ ভিত্তি হিচাপে 'বিশ্বাস' বা 'faith'ৰ বৰ্ণনা কৰা ।

(e) Explain and examine totemism.

সমালোচনাৰে সৈতে টোটেমবাদ বৰ্ণনা কৰা ।

★★★

**2018**

PHILOSOPHY

( Major )

Paper : 5.6

**( Social Philosophy )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following questions : 1×7=7

তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) "Social Philosophy is the golden crown of Social Sciences." Who said this?

"সমাজ দৰ্শন হ'ল সামাজিক বিজ্ঞানসমূহৰ স্বৰ্ণমুকুট।" এইটো কোনে কৈছিল ?

(b) Mention the fundamental difference between Sociology and Social Philosophy.

সমাজ দৰ্শন আৰু সমাজবিদ্যাৰ মাজৰ মূল পাৰ্থক্য কি ?

(c) "Man is a social animal." Whose view is this?

"Man is a social animal." এইটো কাৰ মন্তব্য ?

(d) Name one supporter of social contract theory.

সামাজিক চুক্তি তত্ত্বৰ এজন সমৰ্থকৰ নাম লিখা।

(e) Write the name of the famous book of Karl Marx in which he expresses the 'theory of alienation'.

কাৰ্ল মাৰ্ক্সৰ বিখ্যাত গ্ৰন্থখনৰ নাম লিখা য'ত তেওঁ 'বিচ্ছিন্নতা তত্ত্বটো' প্ৰকাশ কৰিছে।

(f) "One is not born, but rather becomes a woman." Who is the speaker of this statement?

"নাৰী হৈ কোনোৱে জন্মগ্ৰহণ নকৰে, কোনো কোনোৱাই নাৰী হৈ পৰে।" এই উক্তিটোৰ বক্তা কোন?

(g) "Man is the measure of all things." Write the name of the pre-Socratic social thinker who said this famous statement.

"Man is the measure of all things." কোনজন প্ৰাক্-চক্ৰেটিক সামাজিক চিন্তাবিদে এই বিখ্যাত উক্তিটো কৈছিল, তেওঁৰ নাম লিখা।

**2.** Answer the following questions briefly : 2×4=8

তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

(a) Write the name of two early Greek social philosophers.

দুজন প্ৰাৰম্ভিক গ্ৰীক্ সমাজ দাৰ্শনিকৰ নাম লিখা।





(b) Name any two terroristic groups of Assam.

অসমৰ যি কোনো দুটা সন্ত্ৰাসবাদী দলৰ নাম লিখা।

(c) Mention two arguments in favour of globalization.

বিশ্বায়নৰ সপক্ষে দুটা যুক্তি উল্লেখ কৰা।

(d) Name two supporters of individualism.

ব্যক্তিস্বাতন্ত্ৰ্যবাদৰ দুজন সমৰ্থকৰ নাম লিখা।

**3.** Answer the following questions in brief (any *three*) : 5×3=15

তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া (যি কোনো তিনিটা) :

(a) Write a note about different elements of society.

সমাজৰ বিভিন্ন উপাদান সম্পৰ্কে এটি টোকা লিখা।

(b) What do you mean by 'second wave feminism'? Briefly explain.

'দ্বিতীয় পৰ্বৰ নাৰীবাদ' বুলিলে কি বুজা? চমুকৈ ব্যাখ্যা কৰা।

(c) State the impact of terrorism on the society.

সমাজৰ ওপৰত সন্ত্ৰাসবাদৰ প্ৰভাৱ কি, উল্লেখ কৰা।

(d) Bring out any five characteristics of globalization.

বিশ্বায়নৰ যি কোনো পাঁচটা বৈশিষ্ট্য আগবঢ়োৱা।

(e) What are the four types of alienation? Explain briefly.
চাৰি প্ৰকাৰৰ বিচ্ছিন্নতা কি কি ? চমুকৈ ব্যাখ্যা কৰা ।

(f) Mention the differences between individualism and socialism.
ব্যক্তিস্বাতন্ত্ৰ্যবাদ আৰু সমাজতন্ত্ৰবাদৰ মাজত পাৰ্থক্যসমূহ উল্লেখ কৰা ।

4. Answer any *three* of the following : 10×3=30
তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) Give a suitable definition of Social Philosophy. Explain the subject-matter of Social Philosophy.
সমাজ দৰ্শনৰ এটি গ্ৰহণযোগ্য সংজ্ঞা দিয়া । সমাজ দৰ্শনৰ আলোচ্য বিষয় সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱা ।

(b) Explain the utility of studying Social Philosophy.
সমাজ দৰ্শন অধ্যয়নৰ উপযোগিতা ব্যাখ্যা কৰা ।

(c) What is society? Explain the characteristics of society.
সমাজ কাক বোলে ? সমাজৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা ।

(d) Critically discuss the Marxian theory of class struggle.
মাৰ্ক্সৰ শ্ৰেণীসংগ্ৰাম তত্ত্বটোৰ সমালোচনামূলক আলোচনা আগবঢ়োৱা ।

(e) Is an individual organically related to the society? Discuss.
ব্যক্তি আংগিক বা জৈৱিকভাৱে সমাজৰ লগত সম্পৰ্কিতনে ? আলোচনা কৰা ।

★★★